4th Semester

Sub: ASL & Major (4.1)

# ধ্বনিতত্ত্ব (Phonology)

**বাগ্ধ্বনি :** হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু-প্ৰবাহৰ সহায়ত বাগিন্দ্ৰিয়ৰ সঞ্চালনৰ দ্বাৰা সৃষ্টি হোৱা নাদ লহৰীক ধ্বনি বোলা হয়। বাগ্ধ্বনি বা ধ্বনিয়েই হ'ল ভাষাৰ মৌলিক সামগ্ৰী বা ভাষাৰ ন্যূনতম একক।

বাগ্ধ্বনিৰ সৃষ্টিত যিবোৰ ইন্দ্ৰিয়ই সহায় কৰে সেইবোৰ ইন্দ্ৰিয়ক বাগিন্দ্ৰিয় বুলি কোৱা হয়। ওঁঠ, জিভা, তালু, আলজিভালৈ পৰ্যন্ত কোমল তালু, ঘাঁটিকা, দাঁত, দাঁতৰ মূল — আদিক বাগিন্দ্ৰিয় বুলি কোৱা হয়।

বাগ্ধ্বনিৰ সৃষ্টিত যিবোৰ বাগিন্দ্ৰিয় সহজে লৰচৰ কৰিব পাৰি, সেইবোৰক 'উচ্চাৰণৰ কৰণ' বুলি কোৱা হয়। যেনে, ওঁঠ, আৰু জিভা। আনহাতে বাগ্ধ্বনিৰ সৃষ্টিত যিবোৰ বাগিন্দ্ৰিয় সহজে লৰচৰ কৰিব নোৱাৰি, সেইবোৰক 'উচ্চাৰণ-স্থান' বুলি কোৱা হয়। যেনে, দাঁত, দাঁতৰ মূল, তালু আদি।

বাগ্ধ্বনি বা ধ্বনি দুই প্ৰকাৰৰ : স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি।

**স্বৰধ্বনি :** বাধাহীন বায়ুপ্ৰবাহৰ দ্বাৰা উচ্চাৰিত ধ্বনিক স্বৰধ্বনি বোলে। স্বৰধ্বনিৰ উচ্চাৰণত স্বৰতন্ত্ৰীত বায়ুৰ কোনো বাধা নাই সেইবোৰে ওলাই আহিব পৰা হয়, ফলত

Scanned by CamScanner

স্বৰতন্ত্ৰীত এটা কম্পনৰ সৃষ্টি হয়। এই কম্পনে সৃষ্টি কৰা নাদ লহৰক ঘোষ বা ঘোষত্ব বোলে। স্বৰধ্বনিসমূহ সদায় (ঘোষ বহনকাৰী) বায়ু-প্ৰবাহৰ দ্বাৰা সৃষ্টি হয়।

**ব্যঞ্জন ধ্বনি :** বাধাপ্ৰাপ্ত বায়ু-প্ৰবাহৰ দ্বাৰা উচ্চাৰিত ধ্বনিক ব্যঞ্জন ধ্বনি বোলে। ব্যঞ্জনধ্বনিৰ উচ্চাৰণত স্বৰতন্ত্ৰীৰ কম্পন হ'বও পাৰে আৰু নহ'বও পাৰে। সেইকাৰণে ব্যঞ্জনধ্বনিবোৰ ঘোষ আৰু অঘোষ দুই প্ৰকাৰৰ হয়।

**স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ পাৰ্থক্য :**

১। স্বৰধ্বনিবোৰ সদায় বাধাহীন বায়ু-প্ৰবাহৰ দ্বাৰা উচ্চাৰিত হয় ; আনহাতে ব্যঞ্জনধ্বনিবোৰ সদায় বাধাপ্ৰাপ্ত বায়ু-প্ৰবাহৰ দ্বাৰা উচ্চাৰিত হয়।

২। স্বৰধ্বনিৰ উচ্চাৰণত আন ধ্বনিৰ সহায়ৰ প্ৰয়োজন নহয় ; আনহাতে স্বৰধ্বনিৰ সহায় অবিহনে ব্যঞ্জন ধ্বনি উচ্চাৰিত হ'ব নোৱাৰে।

৩। স্বৰধ্বনিবোৰ সদায় ঘোষ হয়, আনহাতে ব্যঞ্জন ধ্বনিবোৰ ঘোষ আৰু অঘোষ দুয়ো প্ৰকাৰৰে হ'ব পাৰে।

৪। ব্যঞ্জনধ্বনিৰ তুলনাত স্বৰধ্বনিবোৰ দূৰৈৰ পৰা স্পষ্ট ৰূপত শুনা যায়।

৫। স্বৰধ্বনিবোৰ একেলেথাৰিয়ে বহু সময় ধৰি থাকিব পাৰে, ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত সেইটো নোৱাৰি।

Scanned by CamScanner

**বিশিষ্ট ধ্বনি বা বৰ্ণ:** অদৃশ বা অভিন্ন পৰিৱেশত শব্দৰ অৰ্থ পৃথক কৰিব পৰা ধ্বনি বা ধ্বনি সমষ্টিক বৰ্ণ বোলা হয়। যেনে,

অভিন্ন পৰিৱেশ ; [ ব অ জ আ ], বজা
[ ব অ ড আ ], বডা

অদৃশ পৰিৱেশ ; [ আ খ অ ৰ ], আখৰ
[ ব আ … অ ৰ ], বাঘৰ

উক্ত উদাহৰণ দুটিৰ 'বজা' আৰু 'বডা' শব্দ দুটাৰ পৰিৱেশ অভিন্ন। এই অভিন্ন পৰিৱেশত 'জ' ৰ ঠাইত 'ড' ব্যৱহাৰ দিয়াৰ লগে লগে শব্দটোৰ অৰ্থৰ পৰিৱৰ্তন হ'ল। যিহেতু অভিন্ন পৰিৱেশত 'জ' বা 'ড' ৰ অৰ্থ পৰিৱৰ্তন কৰিব পৰা ক্ষমতা আছে, গতিকে 'জ' আৰু 'ড' এযোৰ হৈছে বিশিষ্ট ধ্বনি বা বৰ্ণ। তেনেদৰে 'আখৰ' আৰু 'বাঘৰ' শব্দ দুটাৰ পৰিৱেশ অদৃশ। এই অদৃশ পৰিৱেশত 'খ' ৰ ঠাইত 'ঘ' ব্যৱহাৰ দিয়াৰ লগে লগে শব্দৰ অৰ্থৰ পৰিৱৰ্তন হ'ল। গতিকে 'আখৰ' আৰু 'বাঘৰ' শব্দ দুটাৰ পৰা জানিব পৰা গ'ল যে 'খ' আৰু 'ঘ' বিশিষ্ট ধ্বনি বা বৰ্ণ (phoneme).

**ধ্বনিৰ পৰিৱেশ:** ধ্বনিৰ পৰিৱেশ বুলিলে ধ্বনিৰ পূৰ্ববৰ্তী আৰু পৰৱৰ্তী ধ্বনি বা ধ্বনি সমষ্টি আৰু এইবোৰৰ লগত জড়িত সুৰ শ্বাসাঘাত আদিকে বুজা যায়।

ধ্বনিৰ পৰিৱেশ দুই প্ৰকাৰৰ: অভিন্ন পৰিৱেশ আৰু অদৃশ পৰিৱেশ।

Scanned by CamScanner

**অভিন্ন পৰিৱেশ:** যেতিয়া এটা ধ্বনিৰ আগত আৰু পিছত থকা ধ্বনি সমষ্টি সম্পূৰ্ণ একে হয়, তেতিয়া তাক ধ্বনিৰ অভিন্ন পৰিৱেশ বুলি কোৱা হয়। যেনে,

[আ খ অ ৰ], আখৰ

[আ গ অ ৰ], আগৰ

ইয়াত 'খ' আৰু 'গ' ৰ আগত আৰু পিছত থকা ধ্বনিসমূহ সম্পূৰ্ণ একে। গতিকে 'খ' আৰু 'গ' ৰ পৰিৱেশ অভিন্ন।

**সদৃশ পৰিৱেশ:** যেতিয়া এটা ধ্বনিৰ আগত আৰু পিছত থকা ধ্বনি সমষ্টি সম্পূৰ্ণ একে নহয় যদিও বহুলাংশে মিল থকা হয়, তেতিয়া তাক সদৃশ পৰিৱেশ বোলে। যেনে,

[ক অ ল অ ম], কলম

[খ অ ৰ অ ম], খৰম

ইয়াত 'ল' আৰু 'ৰ' ৰ পৰিৱেশ অভিন্ন।

**শ্বাসাঘাত:** আমি কথা কওঁতে শব্দৰ সকলোবোৰ ধ্বনিত সমান জোৰ নিদিওঁ। কিছুমান ধ্বনিৰ উচ্চাৰণত বেছি জোৰ দিওঁ আৰু কিছুমান ধ্বনিৰ উচ্চাৰণত জোৰ অলপ কমাই দিওঁ। ধ্বনিৰ উচ্চাৰণৰ এই আপেক্ষিক জোৰৰ নামেই হ'ল শ্বাসাঘাত। (stress accent). মনকৰিবলগীয়া কথা এয়ে যে শ্বাসাঘাত সাধাৰণতে স্বৰধ্বনিয়েহে বহন কৰিব পাৰে। শ্বাসাঘাতযুক্ত ধ্বনি সদায় স্পষ্ট শুনা যায়।

অসমীয়া ভাষাত শ্বাসাঘাত শব্দৰ প্ৰথম আখৰ অক্ষৰত পৰে। কামৰূপী উপভাষাত ভেলেগ্য ৪ শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰে আৰু কেইবাৰ কামৰূপী

Scanned by CamScanner

উপভাষাত শব্দৰ মাজত থকা স্বৰধ্বনি লোপ পায়। যেনে,

কুকুৰা > কুক্‌ৰা

**ধ্বনিৰ প্ৰয়োগ:** শব্দত ধ্বনিৰ অৱস্থান নিৰ্ণয়কে ধ্বনিৰ প্ৰয়োগ বোলা হয়। ধ্বনিৰ এই প্ৰয়োগ দুই প্ৰকাৰৰ: (১) বিৰোধী প্ৰয়োগ আৰু (2) অবিৰোধী প্ৰয়োগ।

অভিন্ন বা অনুৰূপ পৰিৱেশত ধ্বনিৰ প্ৰয়োগ হ'লে তাক বিৰোধী প্ৰয়োগ বোলা হয়। অন্যহাতে অভিন্ন বা অনুৰূপ পৰিৱেশত কিছুমান ধ্বনিৰ কেতিয়াও প্ৰয়োগ নহয়, তেতিয়া তাক অবিৰোধী প্ৰয়োগ বোলা হয়। এই অবিৰোধী প্ৰয়োগ দুই প্ৰকাৰৰ:

১। পৰিপূৰক প্ৰয়োগ (Complementary Distribution)

২। মুক্ত বিকল্প বা অযুত বিকল্প প্ৰয়োগ (Free variation)

**পৰিপূৰক প্ৰয়োগ:** ধ্বনিগত গাঢ় মিল থকা কিছুমান ধ্বনিৰ একে পৰিৱেশত কেতিয়াও প্ৰয়োগ নহয়, অথচ ইহঁতৰ পৰা মিলিৰ আঁতৰি থাকে, তাকে পৰিপূৰক প্ৰয়োগ বোলে।

**মুক্ত বিকল্প বা অযুত বিকল্প প্ৰয়োগ:** কিছুমান ভাষাত ধ্বনিগত সাদৃশ্য থকা কোনো কোনো ধ্বনিৰ আসলসলনি ঘটা দেখা যায়। ধ্বনিৰ এনে আসলসলনিৰ ফলত যদি শব্দবোৰৰ অৰ্থ পৃথক হৈ নপৰে, তেন্তে ইয়াক ধ্বনিবোৰৰ মুক্ত বিকল্প বা অযুত বিকল্প প্ৰয়োগ বোলে। যেনে,

ব ই ষ অ য় ~ ব ই য অ য়, 'বিষয়'

ব ই ষ ~ ব ই য, 'বিষ'

Scanned by CamScanner

ইয়াত 'ষ'ৰ সৈতে 'খ' উচ্চাৰণ হ'লেও শব্দৰ অৰ্থৰ পৰিৱৰ্তন হোৱা নাই। গতিকে 'ষ' আৰু 'খ'ৰ প্ৰয়োগ মুক্ত বিকল্প বা অবাধ বিকল্প।

**উপধ্বনি :** সহজ ভাষাত ক'বলৈ হ'লে এটা ভাষাত উচ্চাৰিত অসংখ্যকৰ অবিশিষ্ট ধ্বনিসমূহেই হ'ল উপধ্বনি। এটা বৰ্ণ বা বিশিষ্ট ধ্বনিৰ অন্তৰ্গত বিভিন্ন ধ্বনিৰ মাজত ধ্বনিগত সাদৃশ্য থাকে আৰু সিহঁতৰ প্ৰয়োগ-ৰ কোনো বিৰোধ নাথাকে অৰ্থাৎ একে পৰিৱেশত পৰস্পৰে পৰস্পৰৰ পৰা আঁতৰি থাকে, তাক উপধ্বনি বোলে। যেনে,

[ ত আ ল ], তাল

[ ল আ ত̪ ], লাত

ইয়াত /ত/ বৰ্ণৰ [ত] আৰু [ত̪] উপধ্বনি।

**ধ্বনি আৰু বৰ্ণ :** ধ্বনি বুলিলে বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত সকলো বাগধ্বনিকে বুজায়। ধ্বনিয়ে শব্দৰ অৰ্থ পৃথক কৰিব নোৱাৰে। ধ্বনিক বিশিষ্ট আৰু অবিশিষ্ট বুলি বেলেগ ভাগ কৰা নহয়। আনহাতে 'বৰ্ণ' বুলিলে ধ্বনি গোটক বুজায়। ইয়াক ধ্বনিৰ প্ৰকৃতি, গুণ অনুসৰি কেৱল বিশিষ্ট ধ্বনিসমূহকে বুজা হয় আৰু ই সদায় শব্দৰ অৰ্থ পৃথক কৰিব পাৰে।

বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ প্ৰতিটোৰ উচ্চাৰণমূলক প্ৰায়োগিক বাস্তৱ ৰূপ আছে। আনহাতে বৰ্ণ হ'ল এটা বিমূৰ্ত ৰূপ, ই উচ্চাৰিত নহয়,

Scanned by CamScanner

বৰ্ণৰ অন্তৰ্গত ধ্বনিহ মানুহৰ মুখত উচ্চাৰিত হয়।

## অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বা বৰ্ণ:

অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বা বৰ্ণৰ সংখ্যা হ'ল মুঠ আঠটা। সেইকেইটা হ'ল: ই (i), এ' (e), এ (ɛ), আ (ā), অ (ɒ), অ' (ɔ), ও (o) আৰু উ (u)

জিভাৰ অংশ অনুযায়ী এই বিশিষ্ট স্বৰধ্বনিসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে: সন্মুখ বা প্ৰান্তীয়; কেন্দ্ৰীয় বা মধ্য আৰু মূলীয় বা পশ্চ।

জিভাৰ উচ্চতা অনুযায়ীও ইহঁতক চাৰিটা ভাগত ভাগ কৰা হৈছে: উচ্চ, মধ্যউচ্চ, মধ্যনিম্ন আৰু নিম্ন।

ওঁঠৰ আকৃতি অনুযায়ী দুটা ভাগত ভাগ কৰা হৈছে: বিবৃতৌষ্ঠ্য আৰু সংবৃতৌষ্ঠ্য।

অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বা বৰ্ণসমূহক জিভাৰ অংশ, উচ্চতা আৰু ওঁঠৰ আকৃতি অনুযায়ী তলত দিয়া ধৰণে তালিকাভুক্ত কৰি দেখুৱাব পৰা যায়:

| জিভাৰ অংশ আৰু ওঁঠৰ অৱস্থান অনুযায়ী → / জিভাৰ উচ্চতা অনুযায়ী ↓ | সন্মুখ বা প্ৰান্তীয়; বিবৃতৌষ্ঠ্য | কেন্দ্ৰীয় বা মধ্য | মূলীয় বা পশ্চ; সংবৃতৌষ্ঠ্য |
|---|---|---|---|
| উচ্চ | ই (i) | | উ (u) |
| মধ্যউচ্চ | এ' (e) | | ও (o) |
| মধ্যনিম্ন | এ (ɛ) | | অ' (ɔ) |
| নিম্ন | | আ (ā) | অ (ɒ) |

Scanned by CamScanner

অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিসমূহ বুজাবলৈ ব্যৱহাৰ হোৱা আখৰসমূহ এনেধৰণৰ :

| বিশিষ্ট স্বৰধ্বনি | আখৰ |
|---|---|
| /ই/ | ই, ঈ |
| /এ'/ | এ |
| /এ/ | এ |
| /আ/ | আ |
| /অ/ | অ |
| /অ'/ | অ |
| /ও/ | ও |
| /উ/ | উ |

## অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি :

অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা একুৰি (২১) টা। অৱশ্যে কোনো কোনো ভাষাবিদে অন্তঃস্থ বৰ্ণ 'ৱ' আৰু 'য়' কো বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিব খোজে। তেওঁলোকৰ মতে চাবলৈ গ'লে অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা হয় গৈ তেইশ (২৩) টা। সেইকেইটা হ'ল :

প, ফ, ব, ভ ; ত, থ, দ, ধ ; ক, খ, গ, ঘ ; চ, জ, স, হ ; ম, ন, ঙ ; ৰ ; ল, ৱ আৰু য়।

এই বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ ভিতৰত বাৰ (১২) টা স্পৰ্শ ধ্বনি, চাৰিটা উষ্ম ধ্বনি, তিনিটা নাসিক্য ধ্বনি, এটা কম্পিত ধ্বনি, এটা পাৰ্শ্বিক ধ্বনি আৰু দুটা অন্তঃস্থ ধ্বনি।

উচ্চাৰণৰ স্থান আৰু ৰীতি অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক তলত দিয়া ধৰণে তালিকাভুক্ত কৰি দেখুৱাব পৰা যায়ঃ

→

Scanned by CamScanner

# অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকা

| উচ্চাৰণৰ স্থান → | ওষ্ঠ্য | | দন্তমূলীয় | | তালব্য | | পশ্চ তালব্য | | কণ্ঠ্য | |
|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ বিধ ↓ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ |
| অল্পপ্ৰাণ | প | ব | ত | দ | | | ক | গ | | |
| মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | খ | ঘ | | |
| উষ্ম ধ্বনি | | | চ | জ | | | শ | | | হ |
| নাসিক্য ধ্বনি | | ম | | ন | | | | ঙ | | |
| কম্পিত ধ্বনি | | | | ৰ | | | | | | |
| পার্শ্বিক ধ্বনি | | | | ল | | | | | | |
| অন্তঃস্থ ধ্বনি | | ৱ | | | | য় | | | | |

Scanned by CamScanner